আপোনাৰ মনৰ কথা আমি ক'ম

# আমি অসমৰ জনগণ

RNI-Regd. No. : ASSASS/2014/56968

গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত

e-paper : www.aajnews.in

৪ৰ্থ বছৰ ● সংখ্যা ১৮৭ ● ২৭ শাওণ, ১৯৩৯ শক ● দেওবাৰ, ১৩ আগষ্ট, ২০১৭ ● Aami Asomor Janagan, Vol-IV, No.-187 Guwahati, Sunday, August 13, 2017 গুৱাহাটী সংস্কৰণ পৃষ্ঠা-১২ মূল্য ঃ ৭.০০ টকা



গোৰখপুৰৰ শোকাৱহ ঘটনাত নিহতৰ সংখ্যা ৪৮লৈ বৃদ্ধি

## অক্সিজেন সেৱা ব্যাহতৰ বাবে মৃত্যু নোহোৱাৰ দাবী আদিত্যনাথ প্ৰশাসনৰ

**প্ৰধানমন্ত্ৰী মোদীৰ শোক প্ৰকাশ, তদন্তৰ নিৰ্দেশ ঃ এই মৃত্যুক নৰহত্যা আখ্যা সাক্ষী মহাৰাজ-কৈলাস সত্যাৰ্থীৰ**



**জনগণ ডেস্ক ৰিপৰ্ট, ১২ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ গোৰখপুৰৰ বি আৰ মেডিকেল কলেজ হাস্পতাল কৰ্তৃপক্ষৰ হেমাহিৰ বাবে মৃত্যু হোৱা লোকৰ সংখ্যা ৪৮ জনলৈ বৃদ্ধি পাইছে। কালি চিকিৎসালয়খনত ৩০ জনকৈ লোক মৃত্যুমুখত পৰাৰ পাছত আজি পুনৰ ১৮ জনৰ মৃত্যু হয়। চিকিৎসালয়ত সংঘটিত এই ঘটনাই সমগ্ৰ দেশ তোলপাৰ লগোৱাৰ সময়তে ৰাজ্যখনৰ চৰকাৰে এই সন্দৰ্ভত দায়সৰা মন্তব্য কৰা পৰিলক্ষিত হৈছে। ■ ৮ পৃষ্ঠাত



ৰাইজৰ প্ৰতিবাদক আওকাণ, দিল্লী-নাগপুৰৰ হেঁচাত আকোৰগোজ স্থিতি

## দীনদয়াল উপাধ্যায়ৰ নামকৰণত ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সমৰ্থন

ৰাজ্যৰ দ্বিতীয়টো জলপ্ৰলয়ত বিগত ২৪ ঘণ্টাত কোকৰাঝাৰত ৫, বঙাইগাঁৱত ২, নগাঁৱত ১, ধেমাজিতো শিশুৰ কৰুণ মৃত্যু

# সংহাৰী বানত গৃহহীন লক্ষাধিক

**লাহৰীঘাটত নিমিষতে এবুকু পানী, হাজোত উটিল দুখনকৈ দলং, মাণিকপুৰৰ হালধীয়া গাঁৱত গৃহহীন বহুলোক, বাক্সাৰ ভাৰত-ভূটান সীমান্তত বানৰ কালৰূপ, টীয়কৰ আলিমূৰ গাঁৱত যিকোনো মুহূৰ্তত ভয়াৱহ পৰিস্থিতিৰ আশংকা, ধেমাজিৰ ৩,৭৪৮টা পৰিয়াল ক্ষতিগ্ৰস্ত**



**জনগণ ষ্টাফ, ১২ আগষ্ট ঃ** ৰাজ্যত পুনৰ প্ৰলংয়কৰী বানৰ এক বিভীষিকাময় পৰিস্থিতি। বাৰিষাৰ দ্বিতীয়টো বানত ডুবিছে উজনি-নামনি। শাওণৰ বলীয়া বানে কালৰূপ ধাৰণ কৰি ক্ষতিগ্ৰস্ত কৰিছে হেজাৰ হেজাৰ লোকৰ ঘৰ তথা কৃষিভূমি। ধাৰাষাৰ বৰষুণৰ ফলত ফেনে ফোটোকাৰে বাঢ়ি অহা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানীয়ে তাণ্ডৱ সৃষ্টি কৰি ৰাজ্যিৰ বিভিন্ন প্ৰান্তৰ অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। নৈ-উপনৈসমূহৰ বাঢ়নী পানীয়ে নিমিষতে খহাই নিছে দলং-মথাউৰি তথা বিভিন্ন গড়কাপ্তানী পথ। ৰাজ্যৰ ■ ৮ পৃষ্ঠাত

### বানৰ বাবে এদিনতে সামৰিলে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক

**জনগণ সেৱা, দুলীয়াজান, ১২ আগষ্ট ঃ** অসম বিজেপিৰ চলিত সমিতিৰ তৃতীয়খন কাৰ্যনিৰ্বাহক বৈঠক আজি দুলীয়াজানৰ দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। পুৱা কিনকিনিয়া বৰষুণৰ মাজতে দলৰ পতাকা উত্তোলন কৰে ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত সংগিনী ক্লাবত বিজেপি দলৰ কৰ্ণধাৰ সমিতিৰ বৈঠক অনুষ্ঠিত হয়। দুপৰীয়া ১১ বজাৰ পৰা ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসৰ সভাপতিত্বত দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত কাৰ্যনিৰ্বাহক বৈঠকখন অনুষ্ঠিত হয়। বৈঠকৰ প্ৰথম ভাগত অসম বানপানী সমস্যা, আন্তঃৰাষ্ট্ৰীয় (ভাৰত-বাংলাদেশ) ৰ সীমা সমস্যা, বি ভি এফ চি এল ■ ৮ পৃষ্ঠাত

ভাড়াঘৰত মহিলাৰ গলিত মৃতদেহক লৈ চাঞ্চল্য

### ধৰ্ষণ কৰি হত্যাৰ সন্দেহ শিৱসাগৰ আৰক্ষীৰ



**জনগণ সেৱা, শিৱসগাৰ, ১২ আগষ্ট ঃ** শিৱসাগৰ মাজ মজিয়াতে কেন্দ্ৰীয় বজাৰৰ নিচেই সমীপত এটা ভাৰাঘৰত এগৰাকী বিবাহিতা মহিলাৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য। আজি পুৱা শিৱসাগৰ মুক্তি নাথ চাৰিআলিৰ কেন্দ্ৰীয় বজাৰৰ সন্মুখত অৱস্থিত নিউ ডিলাক্সৰ ভাড়াঘৰত উদ্ধাৰ হোৱা মৃতদেহ হোৱটোলৈ লক্ষ্য কৰিলে ঘটনাটো আজি কেইবাদিনৰ পূৰ্বে সংঘটিত ■ ৮ পৃষ্ঠাত

গুৱাহাটী-শিলচৰ অভিমুখী ৰে'লত অমানৱীয় কাণ্ড

### জন্মদাত্ৰীক মাৰধৰ কৰি এৰি গ'ল পুত্ৰই

**জনগণ সেৱা, লংকা, ১২ আগষ্ট ঃ** জীৱশ্ৰেষ্ঠ মানৱৰ আন এক অমানৱীয় কাণ্ডই পুনৰ লজ্জানত কৰি তুলিছে সমগ্ৰ মানৱজাতিক। নিজ গৃহত নহয় এইবাৰ ৰে'লত সংঘটিত হ'ল এক অমানৱীয় ঘটনা। নিজ পুত্ৰই মাৰধৰ কৰি ৰে'লত উঠাই এৰি থৈ গ'ল জন্মদাত্ৰী মাতৃক। এই কৰুণ তথা মৰ্মান্তিক ঘটনাটো সংঘটিত হৈছে গুৱাহাটী-শিলচৰ অভিমুখী ৰে'লত। ঘটনা সন্দৰ্ভত পোৱা খবৰ অনুসৰি শুক্ৰবাৰে সন্ধিয়া গুৱাহাটী শিলচৰ অভিমুখী ■ ৮ পৃষ্ঠাত

সোণোৱাল চৰকাৰৰ হঠকাৰী সিদ্ধান্তক পুনৰ বিবেচনাৰ দাবী মিত্ৰদল অগপৰ

## 'দীনদয়াল' নামকৰণত মুকলি অসন্তুষ্টি





**■ অসমৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কামত আপোচ কৰা নহ'ব ঃ অতুল বৰা ■ ১৫ ছেপ্টেম্বৰত বাজিব পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা ঃ কমলা কলিতা**

**জনগণ ষ্টাফ, ১২ আগষ্ট ঃ** জাতি-মাটি-ভেটি ৰক্ষাৰ শ্ল'গানেৰে নিৰ্বাচনী বৈতৰণী পাৰ হোৱা গেৰুৱা বাহিনী বিজেপিৰ স'তে মিত্ৰতা স্থাপনেৰে চৰকাৰৰ অংশীদাৰ হোৱা আঞ্চলিকতাবাদী ৰাজনৈতিক দল অসম গণ পৰিষদে বিজেপি দলৰ অসম বিৰোধী বিভিন্ন কাৰ্যৰ বিৰুদ্ধে সৱল বিৰোধিতা কৰাত চৰমভাৱে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈ আহিছে। অসম আৰু অসমীয়াৰ স্বাৰ্থ বিঘ্নিত প্ৰতিটো ■ ৮ পৃষ্ঠাত

### গৃহভূমিত মুকেশ পাণ্ডেৰ নশ্বৰ দেহ

## পাৰিবাৰিক সংঘাতৰ বাবেই আত্মহনন

**পত্নীৰে সম্পৰ্ক সুমধুৰ নাছিল মৃত আই এ এছ বিষয়াৰ**

**জনগণ ষ্টাফ, ১২ আগষ্ট ঃ** জীৱনৰ প্ৰতি অহা বিতৃষ্ণাৰ বাবে আত্মহননৰ দৰে চৰম পন্থা বাচি ল'বলৈ বাধ্য হোৱা অসমৰ এগৰাকী মেধাৱী আই এ এছ বিষয়া মুকেশ পাণ্ডেৰ মৃতদেহ গুৱাহাটীৰ নিউ গুৱাহাটীৰ বাসগৃহলৈ অনাৰ পিছত ভূতনাথ শ্মশানত আজি শেষকৃত্য সম্পন্ন কৰে পৰিয়াল তথা আত্মীয়বৰ্গই। পাৰিবাৰিক অশান্তি তথা জীৱনৰ প্ৰতি বিৰক্তিবোধ অনুভৱ কৰা অসমৰ এইগৰাকী সম্ভাৱনাপূৰ্ণ আই এ এছ বিষয়াই মৃত্যুৰ পূৰ্বে পৰিয়াল তথা বন্ধুবৰ্গক আত্মহত্যাৰ বাৰ্তা আগতীয়াকৈ প্ৰেৰণ কৰি গাজিয়াবাদত ৰে'লৰ আগত পৰি আত্মহননৰ পথ বাচি লৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি দেশব্যাপী তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে ■ ৮ পৃষ্ঠাত

গণতন্ত্ৰৰ সুৰক্ষা বিচাৰি ৰাজপথত বুদ্ধিজীৱী

## চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতাৰে ৰাজপথত সাংস্কৃতিক সমদল

**দেশৰ সংবিধান আৰু গণতন্ত্ৰৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াইছে সোণোৱাল চৰকাৰে ঃ হীৰেন গোহাঁই**

**জনগণ ষ্টাফ, ১২ আগষ্ট ঃ** জাতি-মাটি-ভেটি, কৃষ্টি -সংস্কৃতিৰ সুৰক্ষা আৰু নিৰাপত্তা প্ৰদানৰ শ্ৰুতিমধুৰ প্ৰতিশ্ৰুতিৰে দিছপুৰৰ মছনদ দখল কৰা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাখনত জনবিৰোধী কাৰ্যকলাপৰ প্ৰতিবাদকল্পে আজি মহানগৰীৰ দীঘলীপুখুৰীপাৰত বিশিষ্ট ■ ৮ পৃষ্ঠাত

তিনিচুকীয়া-ডিব্ৰুগড়ৰ বানাক্ৰান্তৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন সোণোৱালৰ

## অসমবাসীৰ নিৰাপত্তা, সম-উন্নয়নৰ বাবে চৰকাৰ সংকল্পবদ্ধ ঃ মুখ্যমন্ত্ৰী



**তিনিচুকীয়া পৌৰসভাৰ নৱনিৰ্মিত ভৱন উদ্বোধন**

**জনগণ সেৱা, তিনচুকীয়া, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ সদৰত অৱস্থিত তিনিচুকীয়া পৌৰ সভাৰ নৱনিৰ্মিত কাৰ্যালয় আৰু ব্যৱসায়িক ভৱনটো শুভ উদ্বোধন কৰে। ৭.৩৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চাৰিমহলীয়া এই কাৰ্যালয় আৰু ব্যৱসায়িক ভৱনটো মুকলি কৰা অনুষ্ঠান উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ব্যৱসায়িক ক্ষেত্ৰখনত তিনিচুকীয়া জিলাই এক বিশেষ স্থান অধিকাৰ কৰি আহিছে আৰু আজি উদ্বোধন কৰা এই ভৱনটোৱে নগৰ পৰিচালনাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে তেল, প্ৰাকৃতিক গেছ, কয়লা, প্লাইউদকে ধৰি ■ ৮ পৃষ্ঠাত



### বিশ্ব হস্তী দিৱসৰ দিনাই শোণিতপুৰত গজৰাজৰ কৰুণ মৃত্যু

**চোৰাং চিকাৰীৰ হাতত নিহত হোৱাৰ সন্দেহ বন বিভাগৰ**

**জনগণ সেৱা, বালিপাৰা, ১২ আগষ্ট ঃ** শোণিতপুৰৰ বিভিন্ন অঞ্চলত বন্যহস্তী আৰু মানৱৰ সংঘাত ধাৰাবাহিকভাৱে হৈ থকাৰ সময়তে আজি জিলাখনৰ বালিপাৰাৰ সমীপৰ মেহেৰবস্তিত এটা মৃত হাতী উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান এলেকাৰ মেহেৰবস্তিত ■ ৮ পৃষ্ঠাত

জাতি-মাটি-ভেটি ৰক্ষাৰ নামত বিজেপিয়ে নিজৰ ভৰিত কুঠাৰ মাৰিছে ঃ উপমন্যু হাজৰিকা

## ৫০ শতাংশতকৈ অধিক অপৰাধত বাংলাদেশীমূলৰ লোক জড়িত



**জনগণ ষ্টাফ, ১২ আগষ্ট ঃ** জাতি-মাটি-ভেটি ৰক্ষাৰ নামত বিজেপিয়ে নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিছে বিজেপিয়ে। অসমৰ খিলঞ্জীয়া মানুহৰ স্বাৰ্থ সুৰক্ষা কৰিব যদি নোৱাৰে তেন্তে বিজেপি থাকিও নথকাৰ দৰে। এই মন্তব্য দেশৰ উচ্চতম ন্যায়ালয়ৰ অধিবক্তা তথা প্ৰব্ৰজনবিৰোধী ঐক্যমঞ্চৰ ■ ৮ পৃষ্ঠাত

এনডিএত চামিল হ'ব জে ডি(ইউ)!

## নীতিশ কুমাৰক কেন্দ্ৰীয় চৰকাৰত যোগ দিয়াৰ আহ্বান অমিত শ্বাহৰ



**১২ জন সাংসদৰ ৩ জনে লাভ কৰিব মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ বিভাগ ঃ ৰাজ্যসভাৰ সংসদীয় দলৰ নেতাপদৰ পৰা শাৰদ পাৱাৰক অব্যাহতি**

**জনগণ ডেস্ক ৰিপৰ্ট, ১২ আগষ্ট ঃ** বিহাৰৰ নতুন মুখ্যমন্ত্ৰীৰূপে জনতা দল ইউনাইটেডৰ নেতা নীতিশ কুমাৰে শপত গ্ৰহণ কৰাৰ পাছৰে পৰাই দ্ৰুত পৰিৱৰ্তন ঘটিছে দেশৰ ৰাজনীতিত। বিজেপি দলৰ সমৰ্থনত কুমাৰে মুখ্যমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত দলটোৱে কেন্দ্ৰীয় চৰকাৰত চামিল হ'ব বুলি চৰ্চা হৈ থকাৰ সময়তে কালি নিশা বিজেপি দলৰ কেন্দ্ৰীয় সভাপতি অমিত শ্বাহে কুমাৰৰ দলক কেন্দ্ৰীয় ■ ৮ পৃষ্ঠাত

অইল-আই অ' চি এলৰ একত্ৰীকৰণৰ বিৰুদ্ধে ৮ সংগঠনৰ প্ৰতিবাদ, শতাধিক প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ

## অইলৰ সুকীয়া মৰ্যাদা থাকিব লাগিব ঃ চন্দ্ৰমোহন পাটোৱাৰী



**জনগণ সেৱা, দুলীয়াজান, ১২ আগষ্ট ঃ** অসম বিজেপিৰ কাৰ্যনিৰ্বাহক বৈঠকত মুখ্যমন্ত্ৰী সোণোৱাল আজি দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত উপস্থিত হোৱা মুহূৰ্তত কেইশমিটাৰ মান আঁতৰত আঠটাকৈ সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পুৰণা বাছ আস্থানত ক্ৰমে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, তাই আহোম যুৱ পৰিষদ, বৃহত্তৰ অসমীয়া মহিলা মঞ্চ, গোৰ্খা ছাত্ৰ ■ ৮ পৃষ্ঠাত

## আজিও ন্যায় নাপালে ১৫টা দুৰ্ভগীয়া পৰিয়ালে

**অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাট কাণ্ডৰ তিনি বছৰ, বৰ্তমানেও সন্ধানহীন দুই ছাত্ৰ ফিলছন-অজয়**

**জনগণ সেৱা, ধনশিৰি, ১২ আগষ্ট ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ উৰিয়ামঘাটৰ অসম-নগালেণ্ডৰ সীমান্ত অঞ্চলৰ বিভীষিকাময় কাণ্ডৰ আজি তিনিবছৰ সম্পূৰ্ণ হ'ল। ২০১৪ চনৰ আজি দিনটোতে নগা দুৰ্বৃত্তই অসমৰ সীমান্তৰ এই অঞ্চলটোৰ চেনিপুৰ, ৰতনপুৰ, চেতিয়াগাঁও আদিকে ধৰি ১৬ খন অসমীয়া গাঁৱৰ ৭২৬ টা ঘৰ জ্বলাই দিয়াৰ লগতে ১৫ জন নীৰিহ লোকক হত্যা কৰিছিল আৰু দুই ছাত্ৰ ফিলছন কুজুৰ আৰু অজয় গড়ক অপহৰণ কৰিছিল। উল্লেখ্য যে দুই ছাত্ৰদ্বয় আজিও সন্ধানহীন। ■ ৮ পৃষ্ঠাত

## প্ৰসিদ্ধ সংগীত পৰিচালক যুটি জিতু-তপনলৈ ২০১৭ বৰ্ষৰ 'চাতক' সন্মান

**১৫ খন অসমীয়া, ৩৪ খন হিন্দী ছবিৰ প্ৰসিদ্ধ সংগীত পৰিচালক যুটিলৈ চাতকৰ বিৰল সন্মান**

**জনগণ সেৱা, তেজপুৰ, ১২ আগষ্ট ঃ** অসমৰ সংগীত ক্ষেত্ৰখনৰ দুই বিশিষ্ট শিল্পী তথা প্ৰসিদ্ধ সংগীত পৰিচালক যুটি জিতু-তপন অৰ্থাৎ জিতু শৰ্মা আৰু তপন ভট্টাচাৰ্যলৈ ২০১৭ বৰ্ষৰ চাতক সন্মান প্ৰদানৰ কথা আজি তেজপুৰত ঘোষণা কৰিছে তেজপুৰৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান 'চাতক' এ। উল্লেখ্য যে সুস্থ ■ ৮ পৃষ্ঠাত

